# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

ডং হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত আজি ৪ গৰাকী নতুন মন্ত্ৰীক অন্তৰ্ভুক্ত কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি দুপৰীয়া আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীকেইগৰাকীক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। এই নতুন মন্ত্ৰীকেইগৰাকী হৈছে - প্ৰশান্ত ফুকন, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু ৰূপেশ গোৱালা। ডিব্ৰুগড় সমষ্টিৰ পৰা অসম বিধানসভালৈ একেৰাহে ৪ বাৰকৈ নিৰ্বাচিত প্ৰশান্ত ফুকনৰ অন্তৰ্ভুক্তিয়ে অসম মন্ত্ৰীসভাক অভিজ্ঞতা পুষ্ট কৰিব বুলি আশা কৰা হৈছে। ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাৰ অন্তৰ্ভুক্তিয়ে মন্ত্ৰীসভাত চাহ জনগোষ্ঠীৰ প্ৰতিনিধিত্ব শক্তিশালী কৰিছে। আনহাতে, পৰিমল শুক্লবৈদ্য লোকসভালৈ নিৰ্বাচিত হোৱাৰ পাছত প্ৰতিনিধিত্বহীন হৈ পৰা বৰাক উপত্যকাই লক্ষীপুৰ আৰু পাথাৰকান্দিৰ বিধায়ক কৌশিক ৰায় আৰু কৃষ্ণেন্দু পালৰ জৰিয়তে মন্ত্ৰীসভাত যোগ্য প্ৰতিনিধিত্ব লাভ কৰিছে। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে নতুন মন্ত্ৰীসকলৰ দপ্তৰসমূহ বণ্টন কৰা হোৱা নাই।

০০০০

চাইখং বসুমতাৰী আৰু সজল কুমাৰ সিঙে আজি বিটিচিৰ কাৰ্যবাহী সদস্যৰূপে শপত গ্ৰহণ কৰিছে। আজি কোকৰাঝাৰৰ বড়োফা নৌগৰৰ বিটিচি বিধায়িনী ভৱনত আয়োজিত এটা অনুষ্ঠানত বিটিচিৰ প্ৰধান সচিব আকাশদ্বীপে দুয়োগৰাকী সদস্যক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰায়। শপত গ্ৰহণ অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, অধ্যক্ষ কাতিৰাম বড়ো, উপাধ্যক্ষ অভিৰাম মহানায়ক, কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০

কহিমাৰ সমীপৰ কিচামাত চলি থকা হৰ্ণবিল মহোৎসৱৰ আজি সপ্তম দিনা মহোৎসৱস্থলী বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে মুখৰিত হৈ পৰে। আজি পুৱাৰ ভাগৰ কাৰ্যসূচীত গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই নাগালেণ্ডৰ মহা অধিবক্তা কে এন বালগোপাল, কোলকাতাস্থিত ভূটানৰ কনচ্যুল জেনেৰেল জিগমে নামগেয়াল আৰু মণিপুৰৰ বিশেষ মুখ্য সচিব এইচ খানকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। দুপৰীয়াৰ ভাগত শ্বিলঙৰ ভাৰতীয় বায়ুসেনা বাহিনীৰ এয়াৰ অফিচাৰ কমাণ্ডিং ইন-ছীফ এয়াৰ মাৰ্ছেল সুৰত সিঙেও সাংস্কৃতিক কাৰ্যসূচীসমূহ উপভোগ কৰে। আজি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডং মনসুখ মন্দাভিয়াইও মহোৎসৱস্থলীত উপস্থিত হৈ অনুষ্ঠানসমূহ উপভোগ কৰে। আমাৰ কহিমাৰ সংবাদদাতাই জনোৱা মতে ডিমাপুৰৰ উত্তৰ পূৱ সাংস্কৃতিক কেন্দ্ৰৰ শিল্পীসকলে পৰিবেশন কৰা উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় গীত-নৃত্যসমূহে এইবাৰৰ মহোৎসৱলৈ অহা পৰ্যটক আৰু দৰ্শকসকলক আপ্লুত কৰিবলৈ সমৰ্থ হৈছে।

০০০০

বঙাইগাওঁ শোধানাগাৰে ২০২২-২৩ বৰ্ষৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ভিতৰত শ্ৰেষ্ঠ কৰ্পৰেট সামাজিক দায়বদ্ধতা পদক্ষেপৰ বাবে বঁটা লাভ কৰিছে। ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে সামাজিক উন্নয়নৰ দিশত কৰা উল্লেখযোগ্য কাৰ্যকলাপৰ বাবে এই বঁটা প্ৰদান কৰে। শোধানাগাৰটো বিস্তৃত সামাজিক দায়বদ্ধতা কাৰ্যসূচীয়ে শিক্ষা, স্বাস্থ্য সেৱা, দক্ষতা বিকাশ, আৰু সামাজিক উন্নয়নৰ কেইবাটাও দিশ সামৰি লৈছে। গুৱাহাটীৰ টাটা ইন্সটিটিউট অৱ চোছিয়েল চায়েন্সৰ সঞ্চালক অধ্যাপক জগন্নাথ আম্বাগুডিয়াৰ পৰা শোধানাগাৰটোৰ জ্যেষ্ঠ প্ৰৱন্ধক অমৰদ্বীপ গুড়িয়া আৰু সহকাৰী প্ৰৱন্ধক শৰৎ কুমাৰে এই বঁটা গ্ৰহণ কৰে।

০০০০০

ৰাজ্যৰ অগ্ৰণি সমবায় খণ্ডৰ বিত্তীয় প্ৰতিষ্ঠান অসম কো অপাৰেটিভ এপেক্স বেংকৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বেংকৰ মঙলদৈ শাখাই আজি এটা বিত্তীয় সাক্ষৰতা শিবিৰৰ আয়োজন কৰে। এই শিবিৰত ৬ টা আত্মসহায়ক গোটলৈ ১২ লাখৰো অধিক টকাৰ ঋণ মঞ্জুৰী পত্ৰ বিতৰণ কৰা হয়। বেংকটোৰ শাখা প্ৰৱন্ধকে জনোৱা অনুসৰি আত্মসহায়ক গোটসমূহলৈ এই শাখাৰ যোগেদি এতিয়ালৈকে ৩ কোটিৰো অধিক টকা ঋণ হিচাপে আগবঢ়োৱা হৈছে।

০০০০০

মাজুলীৰ নিয়োগ বিনিময় কেন্দ্ৰৰ উদ্যোগত আজি পূব মাজুলীৰ বনগাঁৱত থকা মাজুলী উদ্যোগ প্ৰশিক্ষণ প্ৰতিষ্ঠানত কেৰিয়াৰ পৰামৰ্শ প্ৰদান শীৰ্ষক এটা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। দক্ষতা আৰু কৌশল বিকাশৰ ভিত্তিত যুৱক-যুৱতীসকলে ভৱিষ্যতে পেচাদাৰী ক্ষেত্ৰত আগবাঢ়ি যাব পৰাকৈ অনুষ্ঠানটোত অংশগ্ৰহণকাৰীসকলক দিহা-পৰামৰ্শ প্ৰদান কৰা হয়। ইয়াৰ লগতে দক্ষতা বিকাশৰ বাবে নৱপ্ৰজন্মই লাভ কৰিব পৰা প্ৰশিক্ষণ কাৰ্যসূচীসমূহৰ বিষয়েও আজিৰ অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা হয়।

০০০০০

তামুলপুৰ জিলা পৌৰ সভাৰ উদ্যোগত আয়োজিত এখন সজাগতামূলক সভাত বিশিষ্ট বিজ্ঞানী ড০ অমৰজ্যোতি কাশ্যপে গুটখা পান মছলাৰ দৰে বৰবিহ বৰ্জন কৰিবলৈ আহ্বান জনাইছে। তামুলপুৰ দুৰ্গা মন্দিৰৰ প্ৰাঙ্গনত অনুষ্ঠিত এই বৈঠকত সমল ব্যক্তি হিচাপে উপস্থিত থাকি তেওঁ কয়, যে এনে সামগ্ৰী সেৱনৰ ফলত কৰ্কটৰ দৰে ৰোগত আক্ৰান্ত হৈ অকালতে মৃত্যুবৰণ কৰিবলগীয়া হয়। শিশুসকলৰ হাতত তুলি দিয়া চিপচৰ পৰা হৃদৰোগত আক্ৰান্ত হব পাৰে বুলি তেওঁ সভাত সজাগ কৰি দিয়ে। তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই সজাগতা সভাখন উদ্বোধন কৰে।

০০০০০

ৰাজ্যৰ বনভোজস্থলীসমূহত আনন্দ উচ্ছাসেৰে দিন কটাবলৈ যোৱা বনভোজ দলসমূহে স্থানসমূহ এৰি থৈ অহাৰ পূৰ্বে পৰিস্কাৰ-পৰিচ্ছন্ন কৰি আহিব লাগে বুলি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মত প্ৰকাশ কৰিছে। আজি নিশা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি আকাশবাণীৰ সংবাদদাতা, আলোচক আৰু বিশিষ্ট ব্যক্তিসকলে এই মত আগবঢ়ায়।

০০০০০

সমাপ্ত